



# গণস্তম্ভ

সত্যৰ অন্বেষণত সত্য পথত




RNI-Regd. No. : ASSASS/2017/74022
An Assamese Weekly News Paper
Website : www.ganastambha.in
Email : ganastambhanews@gmail.com
DIPR Apprved No. IPRD.02/2012/42

● Ganastambha Weekly, Vol-IX, No.-22, Guwahati, Friday, 30 January, 2026, Rs. : 7.00, Page : 8 ● নৱম বছৰ ● সংখ্যা ২২ ● ১৬ মাঘ, ১৯৪৭ শক ● শুকুৰবাৰ, ৩০ জানুৱাৰী, ২০২৬, মূল্য ঃ ৭/-, পৃষ্ঠা-৮

গণস্তম্ভ বিশেষ ...

## বৰ্ধিত প্ৰব্ৰজন আৰু অসমৰ খিলঞ্জীয়াৰ অনিশ্চিত ভৱিষ্যত

■ চন্দন কুমাৰ নাথ

অসমৰ ভৌগোলিক অৱস্থান আৰু ইয়াৰ জনগাঁথনিগত চৰিত্ৰ সদায়েই এক স্পৰ্শকাতৰ বিষয় হিচাপে বিবেচিত হৈ আহিছে। বিশেষকৈ চুবুৰীয়া ৰাষ্ট্ৰ ■ ৬ পৃষ্ঠাত

গণস্তম্ভ চিন্তন ...(১)

## সংবাদ মাধ্যমৰ বাস্তৱতা আৰু সংকট

■ হাবিবুল্লাহ আহমেদ

সংবাদ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয়। কাৰণ ই সমাজ, দেশৰ শাসন ব্যৱস্থা ■ ৬ পৃষ্ঠাত

গণস্তম্ভ চিন্তন ...(২)

## পতাকা উত্তোলনৰ ঐতিহাসিক আৰু ৰাষ্ট্ৰীয় তাৎপৰ্য

■ দিপজ্যোতি কমল মহন্ত

ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় জীৱনত ১৫ আগষ্ট আৰু ২৬ জানুৱাৰী এই দুটা তাৰিখ কেৱল ■ ৬ পৃষ্ঠাত

গণস্তম্ভ দৃষ্টিকোণ...

## দুৰ্নীতিয়ে সমাজখন অক্টোপাছৰ দৰে ধৰিছে

■ বিভা বিন্দু কোঁৱৰ

দুৰ্নীতিৰ ক্ষেত্ৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শূন্য সহনশীলতাৰ কথা ঘোষণা কৰিলেও অসমত এতিয়াও সৰ্বত্ৰ দুৰ্নীতি চলিয়ে আছে। ■ ৬ পৃষ্ঠাত




ৰাজনৈতিক আক্ৰোশৰ বলি হ'ল নেকি মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী

# অজিত পাৱাৰৰ মৃত্যুত ৰহস্য !

## ঘটনাৰ তদন্ত দাবী পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ



**গণস্তম্ভ নিউজ ডেস্ক ঃ** বিমান দুৰ্ঘটনাত মহাৰাষ্ট্ৰৰ শক্তিশালী ৰাজনৈতিক নেতা অজিত পাৱাৰৰ মৃত্যুৰ পাছতে এতিয়া সৰ্বত্ৰে শোকৰ বন্যা বৈছে। ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ পৰা আদি কৰি সকলোৱে শোক ব্যক্ত কৰিছে। ইয়াৰ মাজতে এই বিমান দুৰ্ঘটনাক লৈ ৰহস্যৰ গোন্ধ পাইছে একাংশই। একাংশই সন্দেহ ব্যক্ত কৰিছে যে, পৰিকল্পিতভাৱে বিমান দুৰ্ঘটনাৰ জৰিয়তে হত্যা কৰা ■ ৬ পৃষ্ঠাত

বৰপেটাৰ শ্ৰমিক কলিমুদ্দিনসহ ১৭টা পাষণ্ডক আৰক্ষীৰ গ্ৰেপ্তাৰ

## মাজুলীত বৰ্বৰ কাণ্ড ঃ অৰ্ধশতাধিক পৰিভ্ৰমী পক্ষী নিধন

**গণস্তম্ভ, মাজুলী, দিগন্ত কুমাৰ শইকীয়া ঃ** বৰ্বৰতাৰ শিখৰত যেন জীৱ শ্ৰেষ্ঠ মানুহ! প্ৰকৃতিৰ ওপৰত মানুহৰূপী দানৱে কৰা অত্যাচাৰৰ কথা কৈ শেষ কৰিব নোৱাৰি। এইবাৰ নীৰিহ পক্ষীকূলৰ ওপৰত অমানৱীয় বৰ্বৰতা। নেতৃত্বত বৰপেটাৰ পৰা শ্ৰমিকৰ ৰূপত অহা জনৈক কলিমুদ্দিন। মাজুলীৰ বনগাঁও আৰক্ষী থানাৰ অন্তৰ্গত কমাৰগাঁৱৰ পথাৰত ফুৰাদন নামৰ ঔষধ প্ৰয়োগ কৰি প্ৰায় পঞ্চাশটাৰো অধিক পক্ষী নিধনৰ এই নিকৃষ্ট কাণ্ড সংঘটিত কৰিলে মানুহ নামধাৰী এদল পাষণ্ডই। এই কাৰ্যত হতচকিত সচেতন লোক, প্ৰকৃতিপ্ৰেমী। ইতিমধ্যে মাজুলীলৈ ■ ৬ পৃষ্ঠাত



থানা স্থাপনৰ বিৰোধিতাৰে আৰক্ষীৰ বিৰুদ্ধে অপ-প্ৰচাৰত লিপ্ত সংখ্যালঘু নেতা

## সাপমাৰীৰ থানা স্থানান্তৰৰ ভয়ত শংকিত খিলঞ্জীয়া

**গণস্তম্ভ সেৱা, ওদালগুৰি ঃ** এখন আৰক্ষী চকী স্থানান্তৰৰ কেন্দ্ৰ কৰি এতিয়া আতংকিত হৈ পৰিছে ওদালগুৰি জিলাৰ সাপমাৰীৰ সংখ্যালঘু অধ্যুষিত অঞ্চলৰ সমীপত বসবাস কৰা খিলঞ্জীয়া বড়ো জনগোষ্ঠীৰ লোকসকল। নেমছু নামৰ সংগঠন এটাৰ নেতাই বৰ্তমানৰ সাপমাৰী আৰক্ষী চকী তথা প্ৰস্তাৱিত আৰক্ষী থানাখন স্থাপনৰ বিৰুদ্ধে ■ ৬ পৃষ্ঠাত

দুলীয়াজানত ওঁঠৰ সহস্ৰাধিক মহিলাৰ মাজত উদ্যমিতাৰ চেক বিতৰণ মুখ্যমন্ত্ৰীৰ

## বদৰুদ্দিনৰ কথাই মোৰো কথা, অনাগত দহ বছৰত মিঞাই দিছপুৰ দখল কৰিব ঃ হিমন্ত বিশ্ব শৰ্মা

**গণস্তম্ভ, দুলীয়াজান, মাইনু খনিকৰ ঃ** এদিন অসমৰ পৰিচয় আছিলে বোমা বিস্ফোৰণ, বন্দুক, গ্ৰেনেড সন্ত্ৰাসবাদ, হিংসা। আজি অসমৰ পৰিচয় হৈছে এটকাও ঘোচ নিদিয়াকৈ চৰকাৰী চাকৰি, অসম মানে অৰুণোদয়, অসম মানে উদ্যোগিকৰণ, অসম মানে ব্ৰহ্মপুত্ৰৰ ওপৰত নতুন নতুন দলং, বিকাশ, শিক্ষা, সংস্কৃতি। কেতিয়াও কোনেও ভাবিব পৰা নাছিলে যে কেতিয়াবা দহ হাজাৰ ল'ৰা-ছোৱালীয়ে গুৱাহাটীত বিহু নাচিব, দহ হাজাৰ ল'ৰা-ছোৱালীয়ে একেলগে ■ ৬ পৃষ্ঠাত



শ্ৰীশ্ৰীগোপীনাথ নামঘৰৰ ৰূপালী জয়ন্তীৰ সামৰণি

## কৈশোৰ কালতে শিশুসকলক ধৰ্মীয় জ্ঞান দিয়াৰ প্ৰয়োজন ঃ মাধৱ দেৱ মহন্ত

**গণস্তম্ভ, বাঁহজানী, অজিত চক্ৰৱৰ্তী ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ চৰিত পুথি পঢ়িব নোৱাৰা কাৰণে আজি সমাজত লোকাচাৰ বৃদ্ধি পাইছে। শংকৰদেৱৰ জীৱনী চৰিত মূলত পাঁচখন। যিটো সময়ত ধৰ্মৰ নামত অনাচাৰ, ■ ৬ পৃষ্ঠাত

দক্ষিণ বাৰাংহাটী বংশী গোপাল সভাত সুৰেন্দ্ৰ নাথ কলিতাৰ গ্ৰন্থ উন্মোচন

## গ্ৰন্থ অধ্যয়নে মানুহক প্ৰজ্ঞাৰ সন্ধান দিয়ে ঃ দিনমণি ভাগুাৰ কায়স্থ

**গণস্তম্ভ, ডিমু, হৃষিকেশ কলিতা/ৰঙিয়া, জিতুমণি শৰ্মা ঃ** গ্ৰন্থ অধ্যয়নে মানুহৰ মনত প্ৰশান্তি দিয়াৰ লগতে প্ৰজ্ঞা সন্ধানী কৰি তোলে। অশান্তি জৰ্জৰ সমাজত একমাত্ৰ গ্ৰন্থ অধ্যয়নেহে মানুহৰ মনত শান্তিৰ নিজৰা বোৱাব পাৰে। ৰঙিয়া সমজিলাৰ কএঞা ৰাজহ চক্ৰৰ অন্তৰ্গত দক্ষিণ বাৰাংহাটী বড়ী চুবুৰীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত ৩২ সংখ্যক ■ ৬ পৃষ্ঠাত



## অসমৰ গ্ৰাম্য স্থানীয় সন্থাসমূহলৈ কেন্দ্ৰৰ ২১৩.৯ কোটি টকা মুকলি

**গণস্তম্ভ, গুৱাহাটী, পিএনচি ঃ** কেন্দ্ৰীয় চৰকাৰে অসমৰ গ্ৰাম্য স্থানীয় সন্থা সমূহৰ বাবে পঞ্চদশ বিত্ত আয়োগৰ সংযুক্ত অনুদান হিচাপে ২১৩.৯ কোটি টকা মুকলি কৰিছে। এই পৰিমাণটোৱে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ প্ৰথম কিস্তিক প্ৰতিনিধিত্ব কৰে। সমগ্ৰ ৰাজ্যৰ ২,১৯২খন যোগ্য গ্ৰাম পঞ্চায়ত, ■ ৬ পৃষ্ঠাত

## দেৰগাঁৱত বিজেপি নেতা ময়ূৰদ্বীপ ফুকনৰ সাংগঠনিক তৎপৰতা



**গণস্তম্ভ, দেৰগাঁও, নিৰঞ্জন দাস ঃ** আগন্তুক নিৰ্বাচনৰ দিন যিমানেই চমু চাপিছে সিমানেই ১০৪নং দেৰগাঁও বিধানসভা সমষ্টিত বিজেপি দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী মাজত উৎকণ্ঠা বৃদ্ধি পাইছে। এই ■ ৬ পৃষ্ঠাত

## ছিপাঝাৰত পৰমাৰ ভেটি কঁপাইছে জয়নাথ-বনমালী

### টিকটৰ সৌভাগ্য উদয় হ'ব কাৰ

**গণস্তম্ভ, ছিপাঝাৰ, ইন্দাদুল হক ঃ** নিৰ্বাচনৰ দিন-বাৰ ওচৰ চাপি অহাৰ লগে লগে ছিপাঝাৰৰ ৰাজনৈতিক দৃশ্যপট চকুত লগা হৈ পৰিছে। বিশেষকৈ বিজেপি মিত্ৰজোঁটৰ ভাবী প্ৰাৰ্থীৰ তৎপৰতা জোৰদাৰ হৈ পৰিছে। ■ ৬ পৃষ্ঠাত

## মঙলদৈৰ ১৬টা মন্দিৰৰ মূৰ্তি ভঙা অভিযুক্তক আটক

### অৰ্ধশতাধিক মূৰ্তি ভাঙি আত্মগোপন দুষ্কৃতিকাৰীৰ

**গণস্তম্ভ, মঙলদৈ বিশেষ, মলয় বৰুৱা ঃ** সৰস্বতী পূজাৰ আগনিশা মঙলদৈ চহৰৰ দক্ষিণ প্ৰান্তৰ গাতে লাগি থকা বৃহৎ হিন্দু বসতিস্থল ■ ৬ পৃষ্ঠাত

## পাঁচ হেজাৰ যুৱক-যুৱতীৰে হোলী গীতৰ আয়োজন হ'বনে ?

**গণস্তম্ভ, বৰপেটা, প্ৰদীপ কুমাৰ সৰকাৰ ঃ** সেই দিনাখন আছিল বৰপেটাৰ বিশ্ব বন্দীত দৌল মহোৎসৱ। হোলীৰ সুৰৰ মুৰ্চনাত বৰপেটা ধামৰ আকাশ বতাহ উত্তাল হৈ আছিল। ৰাজ্যৰ মুখ্যমন্ত্ৰী ■ ৬ পৃষ্ঠাত

গণস্তম্ভ নলগা জেং



আপুনি ইয়েছ কৰিলেই হ'ল, লেংমৰা পাৰ্টি ৰেডি...


## অসম কন্যা উমা চেত্ৰী ভাৰতীয় ক্ৰিকেটত অন্তৰ্ভুক্ত



**গণস্তম্ভ, নিউজ ডেস্ক, প্ৰদীপ কুমাৰ সৰকাৰ ঃ** অসমবাসীৰ বাবে শুভ সংবাদ আৰু সেয়া হৈছে অসম কন্যা উমা চেত্ৰী ■ ৬ পৃষ্ঠাত


বৰপেটাবাসীলৈ উপহাৰ

## শীঘ্ৰেই মুকলি হোৱাৰ পথত বাৰাদি ষ্টেডিয়াম



**গণস্তম্ভ, বৰপেটা, প্ৰদীপ কুমাৰ সৰকাৰ ঃ** বৰপেটাত অতি শীঘ্ৰেই মুকলি হোৱাৰ ■ ৬ পৃষ্ঠাত

## মিজোৰাম কন্যা মুয়ানপুই ছাইৰীক নিউজিলেণ্ডত উচ্চায়ুক্ত হিচাপে নিযুক্তি



**গণস্তম্ভ, আইজল, পিএনচি ঃ** মিজোৰামৰ জনসাধাৰণৰ বাবে অপৰিসীম গৌৰৱ কঢ়িয়াই ■ ৬ পৃষ্ঠাত

কলিয়াবৰত সংঘটিত চাঞ্চল্যকৰ ঘটনা

## মুণ্ড ছেদ কৰি জ্বলাই দিলে অচিনাক্ত দুৰ্বৃত্তই

**গণস্তম্ভ, কলিয়াবৰ, বিকাশ জ্যোতি বৰুৱা ঃ** আজিৰ সমাজ ধাৱমান কোন দিশত? এফালে ভাই-ভনীৰ মাজত নাইকিয়া হৈছে মধুৰ সম্পৰ্ক আনফালে মাছ কটাদি কাটিছে জীৱ শ্ৰেষ্ঠ মানুহক। আজিৰ তাৰিখত কাৰোৰেই বাবে ■ ৬ পৃষ্ঠাত

## নতুন ৰূপ পালে ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ে

**গণস্তম্ভ, মঙলদৈ বিশেষ ঃ** আঠ কোটি টকাৰে নিৰ্মাণ সম্পূৰ্ণ হোৱা দৰং জিলাৰ অগ্ৰণী শৈক্ষিক প্ৰতিষ্ঠান ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খনৰ নতুন ■ ৬ পৃষ্ঠাত

## জীৱ-জন্তু কল্যাণ পষেক-২০২৬ উপলক্ষে ঘগ্ৰাপাৰৰ চিলিংত সজাগতা সভা

**গণস্তম্ভ, ঘগ্ৰাপাৰ, ৰবীন্দ্ৰ নাথ কলিতা ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ খণ্ড পশু চিকিৎসালয়ৰ ■ ৬ পৃষ্ঠাত

## বঙাইগাঁৱত এম পি এল ছিজন ঃ ১৪ ক্ৰিকেট প্ৰতিযোগিতা

**গণস্তম্ভ, বঙাইগাঁও, প্ৰণৱ কুমাৰ ডেকা ঃ** বঙাইগাঁও শাখা মাৰোৱাৰী যুৱ মঞ্চৰ উদ্যোগত অনুষ্ঠিত চাৰি দিনীয়া এম পি এল ছিজন-১৪ ক্ৰিকেট প্ৰতিযোগিতা আৰু প্ৰথম ডে এণ্ড ■ ৬ পৃষ্ঠাত



**বৰক্ষেত্ৰীত উদ্যমিতা আঁচনিৰ পুঁজি বিতৰণ অনুষ্ঠানত ড° হিমন্ত বিশ্ব শৰ্মা**

# বিজেপিক হৰুৱাৰ বাবে মিঞাই জেহাদ সৃষ্টি কৰিছে



## বৰক্ষেত্ৰীৰ অতিৰিক্ত দুহেজাৰ মহিলাই লাভ কৰিব অৰুণোদয়

**গণস্তম্ভ, মুকালমুৱা, সুৰজিত পাঠক ঃ** নলবাৰী জিলাৰ ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ আত্ম-সহায়ক গোটৰ মহিলাসকলৰ মাজত উদ্যমিতা আঁচনিৰ পুঁজি বিতৰণৰ উদ্দেশ্যেৰে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বৰক্ষেত্ৰীত উপস্থিত হৈ আত্ম-সহায়ক গোটৰ মহিলাসকলক পুঁজি বিতৰণ কৰে। বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ ৫৪নং জাগাৰা নপ্তিপাৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত নপ্তিপাৰাত দুপৰীয়াৰ ভাগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈ মহিলাসকলৰ মাজত পুঁজি বিতৰণৰ শুভাৰম্ভণি কৰে। নপ্তিপাৰাস্থিত সুধাংশু উচ্চ মাধ্যমিক বিদ্যালয়ৰ সমীপৱৰ্তী ধাননি পথাৰ এখনত নলবাৰী জিলা প্ৰশাসনে অনুষ্ঠিত কৰা জনসভাত মুখ্যমন্ত্ৰীয়ে বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ ৩০,৮০৬ গৰাকী মহিলাৰ মাজত উদ্যমিতা আঁচনিৰ পুঁজি বিতৰণৰ প্ৰক্ৰিয়া শুভৰাম্ভ কৰে। জনসভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাষণ প্ৰদান কৰি কয় যে লাখপতি বাইদেউ হ'বলৈ হ'লে বিজেপিক ভোট দিব লাগিব। অহা এবছৰ-দুবছৰ কষ্ট কৰিলে আমি সকলোৱে লাখপতি হ'ব পাৰিম। অসমৰ ৪০ লাখ মহিলা আত্ম-সহায়ক গোটৰ লগত জড়িত। ইয়াৰে ৮ লাখ মহিলা ইতিমধ্যেই লাখপতি হৈছে। উদ্যমিতা আঁচনিৰে অসমৰ ৩২ লাখ মহিলা উপকৃত হ'ব। অসমৰ ইতিহাসত প্ৰথমবাৰৰ বাবে মহিলাৰ একাউন্টত সৰ্বাধিক টকা সোমাইছে বুলিও কয় মুখ্যমন্ত্ৰীয়ে। উদ্যমিতা আঁচনিৰ পৰা লাভ কৰা দহ হাজাৰ টকাৰে গৰু, ছাগলী, গাহৰি, মৎস্য পালন আদিৰ দৰে ব্যৱসায় কৰিবলৈ আহ্বান জনায় হিমন্ত বিশ্ব শৰ্মাই। উদ্যমিতা আঁচনিৰ দহ হাজাৰ টকাটো সঠিকভাৱে ব্যৱহাৰ কৰিলে অহা বৰ্ষত ২৫ হাজাৰ টকা লাভ কৰিব বুলিও কয়। ২৫ হাজাৰ টকাটো যদি ভালদৰে ব্যৱহাৰ কৰে তেন্তে তৃতীয় বছৰত ৫০ হাজাৰ টকা লাভ কৰিব বুলিও কয় মুখ্যমন্ত্ৰীয়ে। এই টকাসমূহ সদ্ ব্যৱহাৰ কৰিলে প্ৰতিজনে লাখপতি বাইদেউ হ'ব পাৰিব বুলিও কয় মুখ্যমন্ত্ৰীয়ে। বৰক্ষেত্ৰী বিধানসভা সমষ্টিত ২৭,৬৬৩ হিতাধিকাৰীয়ে অৰুণোদয় আঁচনিৰ ধন লাভ কৰা বুলি মন্তব্য কৰি বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বাবে অতিৰিক্ত দুই হাজাৰ মহিলাই অৰুণোদয় আঁচনি লাভ কৰিব বুলিও ঘোষণা কৰে। নিৰ্বাচনৰ পাছত চাউল, চেনি, দাইল, নিমখ আৰু মিঠাতেল বিনামূলীয়াকৈ লাভ কৰিব বুলিও কয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হৈয়ে ডেৰ লাখ ল'ৰা-ছোৱালীক এটকাও ঘোচ নিদিয়াকৈ চাকৰি দিয়া বুলিও মন্তব্য কৰে। বৰক্ষেত্ৰীৰ ৭০ হাজাৰ পৰিয়ালে কম মূল্যত চাউল, দাইল লাভ কৰিছে বুলিও মন্তব্য কৰে। ইপিনে সংবাদ মাধ্যমক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ ৯১টা বিধানসভা সমষ্টিত উদ্যমিতা আঁচনিৰ পুঁজি বিতৰণৰ প্ৰক্ৰিয়া সম্পন্ন হোৱা বুলি কৈ ১০ ফেব্ৰুৱাৰীৰ আগত বাকী থকা সমষ্টি সমূহতো উদ্যমিতা আঁচনিৰ পুঁজি বিতৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। অখিল গগৈ আৰু কংগ্ৰেছ প্ৰসংগত হিমন্ত বিশ্ব শৰ্মাই কয় যে অখিল গগৈ আৰু কংগ্ৰেছ শাসনত আহিলে অসমত মিঞাৰ ৰাজত্ব চলিব। তেতিয়া অসমীয়া মানুহৰ কোনো কামেই নাথাকিব। অসমৰ মানুহে অখিল গগৈ আৰু কংগ্ৰেছৰ কথা শুনি আহিছে, দেখি আহিছে বুলি কৈ অসমৰ জনতাই এটা সুস্থিৰ ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ কৰিব বুলি কয়। কংগ্ৰেছৰ মনোনয়ন পৰ্বৰ অন্তিমদিনা চমৰীয়া, গৰৈমাৰী, বৰপেটা, ধুবুৰীৰৰ মিঞা মানুহৰে গোটেই ৰাজীৱ ভৱন আৰু গুৱাহাটীখন ভৰি পৰা বুলি কৈ সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে মুখ্যমন্ত্ৰীয়ে। কংগ্ৰেছৰ ৭০০ মানুহে টিকটৰ দাবী কৰা প্ৰসংগত হিমন্ত বিশ্ব শৰ্মাই প্ৰাৰ্থিত্ব বিচৰা কংগ্ৰেছৰ তালিকাৰ নামবোৰ প্ৰকাশ কৰিবলৈ প্ৰত্যাহ্বান জনায় কয় যে প্ৰাৰ্থিত্ব বিচৰা ৭০০ মানুহৰ ৬০০ মানুহেই মিঞা। টিকট দাবীৰ চলেৰে মিঞাই বিজেপিক হৰুৱাৰ বাবে ৫০ হাজাৰ টকাকৈ দান দিছে বুলিও কয় হিমন্ত বিশ্ব শৰ্মাই। টিকট নাপায় বুলি জানিও বহুতেই বিজেপিক হৰুৱাৰ বাবে টকা দান দিছে। বিজেপিক হৰুৱাৰ বাবে মিঞাই জেহাদ সৃষ্টি কৰিছে বুলিও কয়। ভোটাৰ তালিকা বিশেষ সংশোধনী সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কয় যে কোনো হিন্দু মানুহ অথবা অসমীয়া মুছলমান মানুহৰ ঘৰত জাননী যোৱা নাই বুলি কৈ মিঞা বিলাকক জাননী জাৰি কৰি থাকিবই লাগিব বুলি কয়, নহ'লে মিঞাবোৰে মূৰৰ ওপৰত উঠি যাব, মিঞাক দিগদাৰী দিয়েই থাকিম। উচ্ছেদ, বিদেশী ন্যায়াধিকৰণৰ জৰিয়তেই মিঞালৈ জাননী পঠিয়াই উৎপাত কৰি থাকিব বুলিও কয় হিমন্ত বিশ্ব শৰ্মাই। সংবাদ মাধ্যমৰ জৰিয়তেই মুখ্যমন্ত্ৰীয়ে আগন্তুক বিধানসভা নিৰ্বাচনক লৈ অসম গণ পৰিষদৰে বুজাবুজি প্ৰায় সম্পূৰ্ণ হৈছে বুলি কয়। অমিত শ্বাহে যিদিনাই আমন্ত্ৰণ জনায় সিদিনাই সকলোখিনি সম্পূৰ্ণ হ'ব। কিয়নো প্ৰাথমিক বুজাবুজি ইতিমধ্যেই সম্পূৰ্ণ হৈছে। সাংবাদিকৰ সুৰক্ষা সম্পৰ্কত হিমন্ত বিশ্ব শৰ্মাই কয় যে নিৰ্বাচনৰ পাছত সাংবাদিকক সুবিধা প্ৰদান কৰিব লাগিব আৰু যিসকলে সাংবাদিকৰ নামত বদনাম কৰি আহিছে তেওঁলোককো চাব লাগিব। এটা প্ৰক্ৰিয়াৰ মাজেৰে সঁচা অৰ্থত সাংবাদিকতা কৰি অহা সাংবাদিকসকলক চাব লাগিব। ভাল সাংবাদিক সকলক সুবিধা দিয়াৰ বাবে তেওঁলোকক চিনাক্ত কৰা হ'ব বুলিও সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে হিমন্ত বিশ্ব শৰ্মাই। উদ্যমিতাৰ পুঁজি বিতৰণ অনুষ্ঠানটোৰ আদৰণি ভাষণ প্ৰদান কৰি গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ন ডেকাই কয় যে, মুখ্যমন্ত্ৰীৰ দূৰদৰ্শী চিন্তাত অসমখন অৰ্থনৈতিক, সাংস্কৃতিক, বৌদ্ধিক দিশত আগবাঢ়িছে। জনসভাত অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা মিচন অভিযানৰ সঞ্চালক কৃন্টলমনি শৰ্মা বৰদলৈ, নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, নলবাৰী জিলা পৰিষদৰ সভানেত্ৰী গীতুমনি বৈশ্য, ভাৰতীয় জনতা পাৰ্টী নলবাৰী জিলাৰ সভাপতি জয়ন্ত বুজৰবৰুৱা, অগপ নেতা গুণমনি ভূঞাকে প্ৰমুখ্য কৰি ভালেকেইজন বিশিষ্ট ব্যক্তি আৰু প্ৰায় চল্লিছ হাজাৰ লোক উপস্থিত থাকে।

**নলবাৰীৰ প্ৰশাসন উদ্যোগত উলহ-মালহেৰে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন**

## নলবাৰীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই



**গণস্তম্ভ, নলবাৰী, প্ৰণৱজ্যোতি কলিতা ঃ** দেশৰ অন্যান্য প্ৰান্তৰ সৈতে সংগতি ৰাখি নলবাৰী জিলাতো বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপিত হয় দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস। নলবাৰী জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত গণৰাজ্য দিৱসৰ এই কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা আনুষ্ঠানিকভাৱে উত্তোলন কৰে অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ তথা গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই। উদ্‌যাপন থলীত উপস্থিত হৈয়ে অনুষ্ঠানৰ মুখ্য অতিথি গৰাকীয়ে ইতিমধ্যেই সাজু হৈ থকা আৰক্ষী, অৰ্ধসামৰিক বাহিনী, এন চি চি আৰু বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলৰ কুচকাৱাজৰ দল সমূহ পৰিদৰ্শন কৰাৰ লগতে তেওঁলোকৰ অভিবাদন গ্ৰহণ কৰে। মন্ত্ৰী বৰুৱাই গণৰাজ্য দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দিয়া ভাষণত জাতিৰ পিতা মহাত্মা গান্ধী তথা সংবিধান প্ৰণেতা ডাঃ বি আৰ আম্বেদকাৰক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে স্বাধীনতা সংগ্ৰামত আত্মবলিদান দিয়া বীৰ শ্বহীদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেখেতে দেশৰ স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ অৰিহণাৰ কথা সোঁৱৰাৰ লগতে শ্বহীদ মুকুন্দ কাকতিকে প্ৰমুখ্য কৰি নলবাৰী জিলাৰ শ্বহীদ তথা স্বাধীনতা সেনানী সকলৰ ত্যাগ আৰু আত্মবলিদানৰ কথাও বিশেষভাৱে স্মৰণ কৰে। তেখেতে নিজৰ ভাষণত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী আৰু প্ৰগতিশীল নেতৃত্বত এখন স্বাৱলম্বী সোণৰ অসম গঢ়াৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে বৰ্তমান দুৰন্ত গতিত কাম কৰি আছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীৰ আন্তৰিক শলাগ লয়। তেখেতে কেন্দ্ৰ তথা ৰাজ্য চৰকাৰৰ তৰফৰ পৰা ৰূপায়িত হৈ থকা বিভিন্ন ধ্বজ্জাবাহী আঁচনি, উন্নয়নমূলক পদক্ষেপ তথা কাম-কাজৰ উল্লেখ লয় আৰু নলবাৰী জিলাত সেই চৰকাৰী আঁচনিসমূহৰ বাস্তৱিক সফলতা তথা অগ্ৰগতিৰ চমু খতিয়ান দাঙি ধৰে। তেখেতে বৰ্তমান চৰকাৰে ৰাইজক প্ৰদান কৰি থকা ধ্বজ্জাবাহী আঁচনিসমূহ যেনে— খাদ্য সুৰক্ষা আইন, ২০১৩ ৰ অধীনত জিলাখনত প্ৰদান কৰা অন্তোদয়া অন্ন যোজনাৰ ৰেচন কাৰ্ড, জলজীৱন মিছনৰ অধীনত টেপসহ খোৱা পানীৰ নল সংযোগ, প্ৰধানমন্ত্ৰী আৱাস যোজনা চহৰাঞ্চল আৰু গ্ৰামীণৰ অধীনত প্ৰদান কৰা গৃহ তথা ৰাজ্যত ৩০ লাখ লাখপতি বাইদেউ সৃষ্টিৰ লক্ষ্যৰে ৰূপায়ণ কৰা মুখ্যমন্ত্ৰীৰ মহিলা আঁচনি, অৰুণোদয় ৩.০ আদিৰ বিশেষভাৱে উল্লেখ লয়। মুখ্যমন্ত্ৰীয়ে দৃঢ় আৰু বলিষ্ঠ বিভিন্ন উদ্যোগ লৈ কেনেদৰে সকলোকে সম মৰ্যাদাৰে আৰু স্বাভিমানেৰে জীয়াই থকাৰ সুযোগ প্ৰদান কৰিছে তথা স্বচ্ছ আৰু মেধাৰ ভিত্তিত ডেৰ লাখতকৈ অধিক নিযুক্তিৰে যুৱশক্তিৰ আত্মবিশ্বাস ঘূৰাই অনাৰ লগতে স্বনিয়োজনৰ পথ প্ৰদৰ্শন কৰি আত্মনিৰ্ভৰ অসমৰ বুনিয়াদ গঢ়িছে তাৰো এক চমু আভাস তেখেতে নিজৰ বক্তব্যত ডাঙি ধৰে।

## ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগত মুখ্যমন্ত্ৰীৰ ৪৩জন সাংবাদিক লৈ উপহাৰ প্ৰদান

**গণস্তম্ভ, ধুবুৰী, প্ৰনৱাশীষ ৰয় ঃ** ধুবুৰী জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলা আয়ুক্ত ৰ কাৰ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ধুবুৰী জিলাৰ ৪৩জন সাংবাদিক লৈ মুখ্যমন্ত্ৰী ৰ উপহাৰ প্ৰদান ধুবুৰী জিলাৰ ডি আই পি আৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিক সকলক ডি চি কাৰ্যালয়ৰ কনফাৰেন্স হলত আজি জিলা আয়ুক্ত নবদ্বীপ পাঠক সভাত উপস্থিত থাকি নিজে হাতেৰে ধুবুৰী জিলাৰ ধুবুৰী, গৌৰীপুৰ, গোলোকগঞ্জ, বিলাসীপাৰা, চাপৰ অঞ্চল ৰ বিভিন্ন কাকত আৰু বৈদ্যুতিক চেনেলৰ সাংবাদিকক মুখ্যমন্ত্ৰীৰ সদিচ্ছা উপহাৰ প্ৰদান কৰে। সভাত উপস্থিত থাকে জিলা জনসংযোগ বিষয়া আৰু অতিৰিক্ত আয়ুক্ত।

## আছাম ৰাইফলছ আৰু ডি আৰ আইৰ দ্বাৰা ৩৯ কোটি ১ লাখ টকা মূল্যৰ ইয়াবা টেবলেট জব্দ

**গণস্তম্ভ, শিলচৰ, পিএনচি ঃ** ৰাজহ চোৰাংচোৱা সঞ্চালকালয় (ডিআৰআই)ৰ সৈতে যৌথ অভিযানত কাছাৰ জিলাত ড্ৰাগছ সৰবৰাহৰ তথ্যৰ ভিত্তিত অভিযান আৰম্ভ কৰে অসম ৰাইফলছে। এই অভিযানৰ সময়ত দলটোৱে যোৱা ২০ জানুৱাৰীৰ নিশা ৩০৬ নং ৰাষ্ট্ৰীয় ঘাইপথেদি বহু কোটি টকাৰ মূল্যৰ য়াবা টেবলেট কঢ়িয়াই নি থকা ত্ৰিপুৰাৰ তিনিজন ব্যক্তিক আটক কৰে। তেওঁলোকৰ পৰা দুখন টাটা ট্ৰাক আৰু দুটা মোবাইল ফোনো উদ্ধাৰ কৰা হয়, আৰু অধিক তদন্ত অব্যাহত আছে। আছাম ৰাইফলছে অঞ্চলটোত ড্ৰাগছ বিৰোধী অভিযানত আগভাগ লৈছে, আৰু ড্ৰাগছৰ নেটৱৰ্ক ভাঙি পেলোৱাৰ বাবে নিয়মীয়াকৈ অভিযান চলাই আছে। এই জব্দ ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে যুঁজ দিয়াৰ প্ৰচেষ্টাৰ এক উল্লেখযোগ্য পদক্ষেপ।

## পৰ্বতঝোৰাৰ বগৰীবাৰীত গৰু চোৰৰ উপদ্ৰুপ ঃ একে নিশাই ৯ টাকৈ গৰু চুৰি

**গণস্তম্ভ, পৰ্বতঝোৰা, ভাৰ্গৱ ব্ৰহ্ম ঃ** বগৰীবাৰী আৰক্ষীৰ অভিযানত চাৰি টাকৈ চোৰাং গৰু জব্দ। গৰু চুৰিৰ সন্দেহত এজন দুজনক নহয়, চাৰি জনক আটক কৰি জোৰদাৰ তদন্ত অব্যাহত। দীৰ্ঘ দিনৰ পৰা বিটিচিৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বিভিন্ন আৰক্ষী থানাৰ অন্তৰ্গত অবৈধ চোৰাং গৰু সৰবৰাহৰ সততে অভিযোগ উত্থাপিত হৈ থকাৰ সময়তে বগৰীবাৰী আৰক্ষী থানাৰ নৱ নিযুক্ত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৌশিক দলে দায়িত্ব লোৱাৰ পিছৰে পৰা চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে মাৰাথন অভিযান চলায়। যোৱা নিশা এক গোপন খবৰৰ ভিত্তিত অভিযান চলাই গোৱালপাৰা জিলাৰ লক্ষীপুৰ আৰক্ষী থানাৰ অন্তৰ্গত তেকুনা গাঁৱৰ পৰা চাৰি টাকৈ চোৰাং গৰু সহ আয়নুদ্দিন সেখ নামৰ চোৰাং গৰু সৰবৰাহকাৰীক আটক কৰি থানা লৈ আনি তদন্ত অব্যাহত ৰাখিছে। ইপিনে বগৰীবাৰী আঙাৰকাটা শিঙিমাৰী গাঁৱৰ পৰা গৰু চুৰিৰ অভিযোগত আটক কৰি জোৰদাৰ তদন্ত অব্যাহত ৰাখিছে বুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৌশিক দলে আমাৰ সাংবাদিকক জানিবলৈ দিয়ে।

## নিৰাপত্তাৰ কাৰণে বাংলাদেশৰ পৰা ভাৰতীয় কূটনীতিবিদৰ পৰিয়ালক ঘূৰাই নিয়াৰ সিদ্ধান্ত

**গণস্তম্ভ, ঢাকা, পিএনচি ঃ** সতৰ্কতামূলক ব্যৱস্থা হিচাপে ভাৰতে ঢাকা আৰু অন্যান্য কূটনৈতিক অভিযানত কৰ্মৰত ভাৰতীয় বিষয়াসকলৰ পৰিয়াল আৰু নিৰ্ভৰশীল লোকক ঘূৰাই নিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি বিশ্বস্ত সূত্ৰই প্ৰকাশ কৰিছে। বাংলাদেশৰ সংসদীয় নিৰ্বাচনৰ পূৰ্বে এই সিদ্ধান্ত। সূত্ৰসমূহে কয় যে, 'নিৰাপত্তা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উচ্চায়ুক্ত আৰু অন্যান্য পদত কৰ্মৰত বিষয়াসকলৰ নিৰ্ভৰশীলসকলক সতৰ্কতামূলক ব্যৱস্থা হিচাপে ভাৰতলৈ উভতি যাবলৈ পৰামৰ্শ দিয়া হৈছে।' অৱশ্যে ভাৰতীয় উচ্চায়ুক্ত আৰু সকলো কূটনৈতিক কাৰ্যালয় সম্পূৰ্ণৰূপে কাৰ্যক্ষম হৈ থাকিব। 'নন-ফেমিলি পোষ্টিং' সাধাৰণতে অস্থিৰ বা বিপদজনক অঞ্চলত জাপি দিয়া হয় আৰু ইয়াক অন্যতম কঠোৰ নিৰাপত্তা ব্যৱস্থা বুলি গণ্য কৰা হয়। কেতিয়া পৰিয়ালকেইটা প্ৰত্যাহাৰ কৰা হ'ব বা পিছত ঘূৰি আহিব নে নাই সেয়া এতিয়াও স্পষ্ট হোৱা নাই। ঢাকাত উচ্চ আয়োগৰ বাহিৰেও ভাৰতৰ কূটনৈতিক কাৰ্যালয় চট্টগ্ৰাম, খুলনা, ৰাজশাহী আৰু চিলেটত আছে। ২০২৪ চনত শ্বেখ হাছিনাৰ চৰকাৰৰ পতনৰ পিছত মহম্মদ ইউনুছৰ নেতৃত্বত অন্তৰ্বৰ্তীকালীন চৰকাৰখন ক্ষমতালৈ অহাৰ পিছৰে পৰা ভাৰত-বাংলাদেশৰ সম্পৰ্কত অসুবিধা ঘটিছে। শেহতীয়া প্ৰতিবাদৰ প্ৰতি সঁহাৰি জনাই দুয়োখন দেশে কূটনৈতিক মিছনত নিৰাপত্তা বৃদ্ধি কৰিছে। ৰচ ডিচেম্বৰত ছাত্ৰ নেতা শ্বৰীফ ওছমান হাদীৰ মৃত্যুৰ পিছত সংখ্যালঘু হিন্দুৰ বিৰুদ্ধে হিংসা বৃদ্ধি পোৱা বুলি জানিব পৰা গৈছে। এই সন্দৰ্ভত ভাৰতীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে, 'আমি সংখ্যালঘুসকলৰ ওপৰত উগ্ৰপন্থীয়ে বাৰে বাৰে আক্ৰমণ কৰাৰ এক চিন্তনীয় ধাৰা দেখিবলৈ পাইছো, লগতে তেওঁলোকৰ ঘৰ-দুৱাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানত।" তেওঁ লগতে কয় যে এনে হিংসাক ব্যক্তিগত শত্ৰুতা বা ৰাজনৈতিক উদ্দেশ্য বুলি ব্যাখ্যা কৰাৰ প্ৰৱণতাই "অপৰাধীসকলক সাহস দিয়ে"।

## কৌস্তুভ মণি হাজৰিকা সোঁৱৰণি পুথিভঁৰাল উদ্বোধন




**গণস্তম্ভ, গোলাঘাট, স্মৃতি ৰেখা শইকীয়া ঃ** কৌস্তুভ মণি হাজৰিকাৰ ভাৱদ্দীপক লেখনীয়ে পঢ়ুৱৈক আকৰ্ষিত কৰিছিল। মহাবিদ্যালয়ত পঢ়ি থকা অৱস্থাৰ পৰাই ধুনীয়া কবিতা, গল্প আৰু প্ৰবন্ধ লিখিছিল কৌস্তুভ মণি হাজৰিকাই। কৌস্তুভমণি হাজৰিকাৰ অকাল বিয়োগৰ পাছত আজি তেওঁৰে বন্ধু প্ৰৱীণ দাসে তেওঁৰ সোঁৱৰণত এটি পুথিভঁৰাল স্থাপন কৰা বিষয়টো সঁচাকৈয়ে বৰ্তমান সময়ত উল্লেখনীয় দিশ। কৌস্তুভমণি হাজৰিকা সোঁৱৰণী পুথিভঁৰাল মুকলি কৰি আজি এই মন্তব্য কৰে প্ৰাক্তন ছাত্ৰ নেতা, পুথি প্ৰকাশক, প্ৰৱক্তা বীৰেণ বৰুৱাই। সৰস্বতী পূজাৰ পবিত্ৰ দিনটোতে কিতাপ পঢ়ি ভাল পোৱা প্ৰয়াত বন্ধুক সমাজৰ মাজত জিলিকাই ৰখাৰ প্ৰয়াসেৰে গোলাঘাটৰ হাতীয়েখোৱা বিষ্ণু-জ্যোতি বিদ্যাপীঠ চৌহদত প্ৰবীণ দাসৰ প্ৰচেষ্টাত তেওঁৰে বন্ধু সাহিত্যিক, কবি, সাংবাদিক প্ৰয়াত কৌস্তুভ মণি হাজৰিকা সোঁৱৰণীত নিৰ্মাণ কৰা পুথিভঁৰাল আজি আনুষ্ঠানিক ভাবে উদ্বোধন কৰা হয়। উদ্বোধনী ভাষণত বীৰেণ বৰুৱাই আৰু কয় যে তেওঁ মোৰ সম্পৰ্কীয় আছিল যদিও আমি প্ৰকাশ কৰা 'কৌস্তুভ' আলোচনীলৈ প্ৰকাশৰ বাবে প্ৰেৰণ কৰা লিখনীৰ জৰিয়তেহে মোৰ তেওঁৰ লগত প্ৰথম পৰিচয় হৈছিল। কৌস্তুভে সেই ছাত্ৰৱস্থাতে আলোচনি সম্পাদনা কৰাৰ দায়িত্ব গ্ৰহণ কৰিছিল। এই কৌস্তুভ মনি হাজৰিকাৰ স্মৃতি জীয়াই ৰখাৰ বাবে বন্ধু প্ৰবীণ দাসে লোৱা কৰ্মকো ভূয়ষী প্ৰশংসা কৰে বিশিষ্ট শিক্ষাবিদ বীৰেন বৰুৱাই। বিষ্ণু-জ্যোতি বিদ্যাপীঠৰ সঞ্চালক প্ৰবীন দাসে আতঁ ধৰা উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে কৌস্তুভ মনি হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে হাজৰিকাৰ মাতৃ নিৰুপমা হাজৰিকাই। সাংস্কৃতিক কৰ্মী, বুবুল দাস, গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সভাপতি ৰোহিত গগৈ, শিক্ষাবিদ অনিল শৰ্মা জ্যেষ্ঠ সাংবাদিক অপূৰ্ব বল্লভ গোস্বামী, দীপমনি খাটনীয়াৰ, প্ৰকাশ শৰ্মা, কবি পাৰিজাত বৰুৱা, ৰূপজ্যোতি গগৈ, সমাজকৰ্মী পৰেশ গগৈ, পুলিন গগৈ, হৰিহৰ বৰা, মৃদুল শইকীয়া, প্ৰাক্তন ছাত্ৰনেতা শৰৎ সৌৰভ আদি বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত বিদ্যালয় খনৰ ছাত্ৰ ছাত্ৰী সকলে পৰিবেশন কৰা সাংস্কৃতিক কাৰ্যসৃচীয়ে সকলোকে আপ্লুত কৰিছিল।

## বিছেন্নালাত ৪৮ তম সবাহ মহোৎসৱ অনুষ্ঠিত

**গণস্তম্ভ, তুলসীবাৰী, ভাস্কৰ কলিতা ঃ** ৰঙিয়াৰ বিছেন্নালাস্থিত নপাম সত্ৰ (ফুলৰ তলৰ)ত বুধবাৰৰ পৰা তিনিদিনীয়াকৈ ৪৮তম বাৰোৱাৰী সবাহ মহোৎসৱ অনুষ্ঠিত হৈছে। তদুপলক্ষে প্ৰথম দিনা পুৱা ধৰ্মধ্বজা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। দিনৰ ভাগত ভাগৱত শোভাযাত্ৰা আৰু সন্ধিয়া বন্তি প্ৰজ্বলন কৰে কেবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে। নিশা সমবেত অগণন ভক্তই লোক বিশ্বাস আৰু আধ্যাত্মিক পৰম্পৰা অক্ষুণ্ণ ৰাখি আৰিয়া প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে। ইয়াৰ সমান্তৰালভাৱে অসমৰ খ্যাতনামা পাঠক দ্বয় ৰাজীৱ ডেকা আৰু পাৰ্থপ্ৰতীম দাসৰ নাগাৰা নামৰ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। আনহাতে দ্বিতীয় দিনৰ আকৰ্ষণীয় কাৰ্যসূচী হিচাপে নিশা কাবেৰী নাট্যদলে নাট পৰিৱেশন কৰে। অন্তিম দিনৰ আকৰ্ষণীয় কাৰ্যসূচীৰূপে অনুষ্ঠিত কৰা হ'ব জুবিন গাৰ্গ সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া। জনপ্ৰিয় কণ্ঠশিল্পী মৰ্মিতা মিত্ৰই উক্ত কাৰ্যসূচীত সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব।

## এছ আৰৰ বিৰুদ্ধে ধুবুৰীত এআইইউডিএফৰ উত্তাল প্ৰতিবাদ

**গণস্তম্ভ, ধুবুৰী সদৰ, প্ৰনৱাশীষ ৰয় ঃ** ৰাজ্যজুৰি বাছি বাছি সংখ্যালঘু ৰাইজৰ ওপৰত জাপি দিয়া ভুৱা জাননী আৰু সংখ্যালঘু ৰাইজৰ নাম কীৰ্তন কৰাৰ অভিযোগ তুলি অসম চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে AIUDF ধুবুৰী জিলা কমিটিয়ে। বিধায়ক নজৰুল হক আৰু বিধায়ক নিজানুৰ ৰহমানৰ নেতৃত্বত ধুবুৰী জিলা দলীয় কাৰ্যালয়ৰ পৰা ধুবুৰী জিলা আয়ুক্তৰ কাৰ্য্যালয় লৈ এক প্ৰতিবাদী সমদল বাহিৰ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। ভুৱা অভিযোগ কাৰীক গ্ৰেপ্তাৰ কৰা, অবৈধভাৱে ভাৰতীয় সংখ্যালঘু ৰাইজৰ নাম কৰ্তন বন্ধ কৰাৰ দাবী জনোৱাৰ লগতে মিঞাক লৈ কৰা তুচ্ছতাচ্ছিল্য কৰা মন্তব্যৰ বিৰুদ্ধে শীঘ্ৰেই আইনৰ কাষ চাপিব বুলি মন্তব্য কৰে। ধুবুৰী জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সন্মুখত বিজেপি গো বেক, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা মুৰ্দাবাদ, যথেমধে নাম কৰ্তন কৰাৰ শ্লগানৰে আকাশ বতাহ কঁপাই তোলে।

## কাছাৰৰ ৮৮ সাংবাদিকৰ মাজত মুখ্যমন্ত্ৰীয়ে দিয়া উপহাৰ সামগ্ৰী বিতৰণ

**গণস্তম্ভ, শিলচৰ, পিএনচি ঃ** কাছাৰৰ জিলা প্ৰশাসনৰ উদ্যোগত শুকুৰবাৰে শিলচৰ বঙ্গ ভৱনত আয়োজিত এক অনুষ্ঠানত জিলাখনৰ ৮৮জন স্বীকৃতিপ্ৰাপ্ত সাংবাদিকৰ হাতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্বাৰা প্ৰেৰিত উপহাৰ সামগ্ৰী বিতৰণ কৰা হয়। এই সামগ্ৰীসমূহ আনুষ্ঠানিকভাৱে বিতৰণ কৰে খনি, অসামৰিক যোগান আৰু বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰাইয়ে। এই অনুষ্ঠানত কাছাৰৰ নব নিযুক্ত জিলা আয়ুক্ত আয়ুস গৰ্গেও ভাষণ দিয়ে।

## অসম কৃষক পৰিষদৰ শ্বহীদ দিৱসত কুৰুৱাৰ বেচৰকাৰী সংস্থা বি আৰ ডিক সম্বৰ্ধনা

**গণস্তম্ভ, দুমুনিচকী, আতিকুৰ ৰহমান ঃ** অসম গণ পৰিষদৰ ভাতৃ সংগঠন অসম কৃষক পৰিষদৰ উদ্যোগত ২৮ জানুৱাৰীত ছিপাঝাৰৰ পথৰুঘাটৰ শ্বহীদ সাতকুৰি কৃষকৰ স্মৰণত গুৱাহাটী শিল্পগ্ৰামত অনুষ্ঠিত কেন্দ্ৰীয় কুষক শ্বহীদ দিৱসত দৰং জিলাৰ কুৰুৱাৰ বেচৰকাৰী সংস্থা বৰ্ণ ফৰ ৰুৰেল ডেভেলপমেণ্ট (বি আৰ ডি)ক বিশেষ সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে এই অনুষ্ঠানটোৱে বিভিন্ন সজাগতা সভা, বাটৰ নাট, জনস্বাস্থ্য, পশু চিকিৎসা আৰু গছপুলি ৰোপণকে ধৰি বহুতো আৰ্থ সামাজিক কাৰ্যৰ জৰিয়তে অসমৰ বিভিন্ন প্ৰান্তত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহাৰ বাবে ফুলাম গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত অসম গণ পৰিষদৰ কাৰ্যকৰী সভাপতি তথা কেবিনেট মন্ত্ৰী কেশৱ মহন্ত আৰু অসম কৃষক পৰিষদৰ সভাপতি পৰেশ বৈশ্য প্ৰমুখ্যে কেইবাগৰাকী গণ্য মান্য ব্যক্তি উপস্থিত থাকে। ইফালে বেচৰকাৰী সংস্থা বৰ্ণ ফৰ ৰুৰেল ডেভেলপমেণ্টৰ সভাপতি সুমিন্দ্ৰ ভূঞা আৰু সম্পাদক নৱজ্যোতি শইকীয়াই অসম কৃষক পৰিষদৰ সভাপতি পৰেশ বৈশ্যক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।




স্বত্বাধিকাৰ আৰু প্ৰকাশক চম্পক কলিতাৰ দ্বাৰা গৃহ নং ১৩ সমীপৰ কৃষ্ণনগৰ এল পি স্কুল সমীপৰ, কৃষ্ণনগৰ, ডাকঘৰ ঃ জাপৰিগোগ, থানা ঃ দিছপুৰ, গুৱাহাটী-৭৮১০০৫ ত প্ৰকাশিত আৰু ফ্ৰণ্টিয়াৰ পাব্লিকেশ্বন প্ৰাইভেট লিমিটেড, কালাপাহাৰ, চাইকেল ফেক্টৰী, গুৱাহাটী-১৬ত মুদ্ৰিত।
মহানগৰ কাৰ্যালয় ঃ ড°আৰ পি ৰোড, গণেশগুৰি, গণেশ মন্দিৰৰ সমীপত, এম এল এ হোষ্টেলৰ বিপৰীতে, গুৱাহাটী-৭৮১০০৬ ফোন ঃ ০৩৬১-২২৩৫৮৮৮, ম'বাইল ঃ ৭০০২২-৮৫৪২৮ / ৯৪৩৫৩-২৩৪৭৩ /৯৮৬৪১-৪২৮১৭ (আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

Owner & Publisher Champak Kalita Published from Near House No. 13, Near Krishna Nagar L P School, Krishna Nagar, P.O. Japorigog, P.S. Dispur, Kamrup (M) Guwahati-781005, Printed at Frontier Publication Pvt. Ltd., Kalapahar, Cycle factory, Guwahati-16
City Office : Dr. R. P. Road, Ganeshguri, Near Ganesh Mandir, Behind MLA Hostel, Guwahati-781006 Phone : 0361-2235888, (M) : 70022-85428 / 94353-23473 / 98641-42817 ■ ganastambhanews@gmail.com
■ Editor : Champak Kalita Executive Editor : Dwipendra Bhattacharjya Associate Editor : Mrinal Chakrabarty